জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৪৩২/২০২০

# ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ অস্থায়ী সদস্য হিচাপে ভাৰতবৰ্ষ নিৰ্বাচিত হোৱাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আন্তৰিক অভিনন্দন জ্ঞাপন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ

## প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বলিষ্ঠ নেতৃত্বত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত শান্তি আৰু নিৰাপত্তা সুদৃঢ় কৰাত আমাৰ দেশে লোৱা ভূমিকাৰ প্ৰতি এয়া বিশ্ব সম্প্ৰদায়ৰ স্বীকৃতি ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৮ জুনঃ** ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ অস্থায়ী সদস্য হিচাপে ভাৰতবৰ্ষ নিৰ্বাচিত হোৱাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বলিষ্ঠ নেতৃত্বত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত শান্তি আৰু নিৰাপত্তা সুদৃঢ় কৰাত আমাৰ দেশে লোৱা ভূমিকাৰ প্ৰতি এয়া বিশ্ব সম্প্ৰদায়ৰ স্বীকৃতি বুলি অভিহিত কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে এই পদক্ষেপে ভাৰতবৰ্ষক 'বিশ্বগুৰু' হিচাপে প্ৰতিষ্ঠা কৰাৰ সপোনক আৰু এখোজ আগুৱাই লৈ গ'ল।

আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰীয়ে কয় যে আন্তঃৰাষ্ট্ৰীয় স্তৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰভাৱশালী ভূমিকাৰ বাবেই আজি আমাৰ দেশে এক অনন্য স্থানত উপনীত হ'বলৈ সক্ষম হৈছে। যোগাভ্যাসৰ দৰে শতাব্দী প্ৰাচীন ভাৰতীয় পৰম্পৰাই সাৰ্বজনীন স্বীকৃতি লাভ কৰিছে, আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপনৰ মাধ্যমেৰে সমগ্ৰ বিশ্বই আজি এই মহান ভাৰতীয় পৰম্পৰাক আকোৱালি লৈছে। ক'ভিড-১৯ অতিমাৰীৰ বিৰুদ্ধে যুঁজৰ সময়তো আমাৰ দেশে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত এক শক্তিশালী ভূমিকা লৈছে। বিশ্বৰ বিভিন্ন দেশলৈ ঔষধ আৰু চিকিৎসা সামগ্ৰী প্ৰেৰণৰ মাধ্যমেৰে এই গোলকীয় অতিমাৰীৰ বিৰুদ্ধে যুঁজত ভাৰতবৰ্ষই বিশ্ব সম্প্ৰদায়ৰ কাষত থিয় দিছে। দেশখনক সকলো দিশৰ পৰা আগুৱাই লৈ যোৱাৰ জৰিয়তে এখন নতুন ভাৰতবৰ্ষ নিৰ্মাণৰ বাবে গ্ৰহণ কৰা এনে ধাৰাবাহিক পদক্ষেপৰ বাবে মুখ্যমন্ত্ৰী সোণোৱালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰতি আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে।

ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ অস্থায়ী সদস্য হিচাপে নিজৰ দুবছৰীয়া কাৰ্যকালত ভাৰতবৰ্ষই গোলকীয় শান্তি, নিৰাপত্তা, সহনশীলতা আৰু সমতা নিশ্চিত কৰাত শক্তিশালী ভূমিকা ৰূপায়ণ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

**প্ৰঃ কুঃ বঃ**
**১৮/৬/২০২০**